# ঢেকিয়াজুলিত 'ভাৰতৰ স্বাধীনতা আন্দোলন আৰু বড়ো সাহিত্য' শীৰ্ষক আলোচনা-চক্ৰ

এজন বাতৰি দিওঁতা

**ঢেকিয়াজুলি, ১৪ নৱেম্বৰ ঃ** সাহিত্য অকাডেমিৰ উদ্যোগত আৰু ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ বড়ো বিভাগৰ সহযোগত আজি 'ভাৰতৰ স্বাধীনতা আন্দোলন আৰু বড়ো সাহিত্য' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ বেজবৰুৱা সন্মিলন কক্ষত অনুষ্ঠিত আলোচনা-চক্ৰৰ উদ্বোধনী সত্ৰত সাহিত্য অকাডেমিৰ বিষয়া মিহিৰ কুমাৰ চাহুৱে আদৰণী ভাষণ প্ৰদান কৰি কয়, 'আঞ্চলিক সাহিত্য সমৃদ্ধ হোৱাটো অত্যন্ত প্ৰয়োজন। এই ক্ষেত্ৰত বড়ো ভাষাৰ লেখক-গৱেষকসকলে কম সময়তে বহু কাম কৰিব পাৰিছে।' মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীৰ সঞ্চালনাত অনুষ্ঠিত এই সত্ৰত ভাষণ দি সাহিত্য অকাডেমিৰ বড়ো উপদেষ্টা পৰিষদৰ আহ্বায়ক ড° অনিল কুমাৰ বড়োৱে ভাৰতৰ স্বাধীনতা আন্দোলনত বড়োসকলৰ ভূমিকা আৰু সাহিত্যত ইয়াৰ প্ৰতিফলন সম্পৰ্কে আলোকপাত কৰে। সাহিত্য অকাডেমিৰ বড়ো উপদেষ্টা পৰিষদৰ সদস্য তথা মহাবিদ্যালয়খনৰ বড়ো বিভাগৰ মুৰব্বী ড° তোলন মছাহাৰীয়ে আঁত ধৰা অনুষ্ঠানত বহুকেইজন শিক্ষক-গৱেষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ পাছতে অনুষ্ঠিত মূল আলোচনা-সত্ৰ পৰিচালনা কৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কলাগুৰু ইন্দিৰা বড়ো আৰু লোক-সংস্কৃতিবিদ অনিল কুমাৰ বড়োৱে। উল্লেখ্য যে এই আলোচনা-সত্ৰত মুঠ ১২গৰাকী গৱেষকে গৱেষণা-পত্ৰ পাঠ কৰে।